# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 28-05-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গেংটকৰ পালজোৰ ষ্টেডিয়ামত ছিকিম আৰক্ষীক সন্মানীয় ৰাষ্ট্ৰপতিৰ **পুলিছ কালাৰ** প্ৰদান কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত অনুষ্ঠিত ৫১ সংখ্যক প্ৰগতি বৈঠকত অধ্যক্ষতা কৰে।

৩। ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ কালি অন্তিম দিনা বহুচৰ্চিত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়কখন ধ্বনি ভোটত গৃহীত হয়।

৪। সমগ্ৰ দেশৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলে আজি ঈদ-উজ-জোহা পালন কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি অনুষ্ঠিত এলিমিনেটৰ খেলখনত ৰাজস্থান ৰয়েলছে ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৪৭ ৰানত পৰাস্ত কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গেংটকৰ পালজোৰ ষ্টেডিয়ামত ছিকিম আৰক্ষীক সন্মানীয় ৰাষ্ট্ৰপতিৰ **পুলিছ কালাৰ** প্ৰদান কৰিব। উল্লেখযোগ্য যে, ছিকিম এই বঁটা লাভ কৰা দেশৰ ১৫ সংখ্যক আৰু উত্তৰ-পূৰ্বাঞ্চলৰ তৃতীয়খন ৰাজ্য হিচাপে পৰিগণিত হৈছে।

ৰাষ্ট্ৰপতি পুলিছ কালাৰ হৈছে ব্যতিক্ৰমী সেৱা, দৃঢ় অনুশাসন আৰু ৰাষ্ট্ৰৰ প্ৰতি নিষ্ঠাৰ স্বীকৃতি স্বৰূপে আৰক্ষী বাহিনীক প্ৰদান কৰা সৰ্বোচ্ছ আনুষ্ঠানিক সন্মান।

ছিকিম আৰক্ষীয়ে জনসাধাৰণৰ সেৱা আৰু ৰাজ্যখনক সুৰক্ষা প্ৰদানৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা দায়বদ্ধতা, ত্যাগ আৰু পেছাদাৰিত্বৰ প্ৰতি লাভ কৰা এই স্বীকৃতিয়ে সমগ্ৰ ৰাজ্যখনক গৌৰৱান্বিত কৰি তুলিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বচ্ছ ভাৰত অভিযান দ্বিতীয় পৰ্যায়ৰ ফলপ্ৰসু ৰূপায়ণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই অভিযানে আন্তঃগাঁথনি সৃষ্টিৰ বাহিৰলৈ গৈ নিয়মীয়াকৈ নিৰীক্ষণ, নাগৰিকৰ অংশগ্ৰহণ আৰু বিভিন্ন অংশীদাৰৰ মাজত একত্ৰীকৰণৰ জৰিয়তে লক্ষ্যণীয় ফলাফল নিশ্চিত কৰিব লাগে বুলি মত প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি অনুষ্ঠিত ৫১ সংখ্যক প্ৰগতি বৈঠকত অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰীয়ে ৰাজ্যসমূহক আৱৰ্জনা প্ৰক্ৰিয়াকৰণ প্লাণ্ট আৰু গোবৰ্বধন প্লাণ্টকে ধৰি কঠিন আৱৰ্জনা ব্যৱস্থা সম্পৰ্কীয় আন্তঃগাঁথনিৰ কাম-ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰিবলৈ পৰামৰ্শ দিয়ে। বৈঠকত প্ৰধানমন্ত্ৰীয়ে ৯ খন ৰাজ্যৰ ৩০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে ৰে'লৱে, বিদ্যুৎ আৰু লোকনিৰ্মাণ খণ্ডৰ ৭টা জটিল আন্তঃগাঁথনি প্ৰকল্পৰ পৰ্যালোচনা কৰে।

শক্তিখণ্ডৰ প্ৰকল্পসমূহৰ পৰ্যালোচনা কৰি শ্ৰীমোদীয়ে চহৰ, আৱাসিক গোট আৰু ৰাজহুৱা প্ৰতিষ্ঠানসমূহৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে আৰু সমগ্ৰ চহৰাঞ্চলৰ ছাদৰ ওপৰত সৌৰশক্তি গ্ৰহণ ত্বৰান্বিত কৰাৰ

প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিদ্যুতৰ খৰচ হ্ৰাস, শক্তি সুৰক্ষা উন্নত আৰু ঘৰুৱা তথা গোট পৰ্যায়ত স্বচ্ছ শক্তিক প্ৰসাৰিত কৰাৰ অৰ্থে ছাদৰ ওপৰৰ সৌৰশক্তিক মিছন মোডত গ্ৰহণ কৰিবলৈ তেওঁ পৰামৰ্শ দিছে।

পথ আৰু বন্দৰ সংযোগ প্ৰকল্পসমূহ পৰ্যালোচনা কৰি শ্ৰীমোদীয়ে কয়, যে ৱাধাৱন বন্দৰক বহুমুখী মডেল উন্নয়নৰ আৰ্হি হিচাপে বিকশিত কৰা উচিত যাতে বৃহৎ পৰিবহণ ব্যৱস্থা একত্ৰিত কৰি ভৱিষ্যতৰ বাবে পৰিৱেশ তন্ত্ৰ সৃষ্টি কৰিব পাৰি। তেওঁ কয়, যে এই প্ৰকল্পটোক বন্দৰ হিচাপে চোৱাৰ পৰিৱৰ্তে উপকূলীয় জাহাজ, আভ্যন্তৰীন জলপথ, নিৰ্দিষ্ট মালবাহী কৰিডৰ, দ্ৰুতবেগী ৰে'ল সংযোগ, ঘাইপথ আৰু বিমানবন্দৰৰ সংযোগৰ জৰিয়তে সংযুক্ত ৰাষ্ট্ৰীয় প্ৰৱেশদ্বাৰ হিচাপে চাব লাগিব।

কেন-বেটৱা নৈৰ আন্তঃসংযোগ প্ৰকল্প পৰ্যালোচনা কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এই প্ৰকল্পই সহযোগিতা, সময়মতে নিষ্কাষণ আৰু প্ৰযুক্তিভিত্তিক নিৰীক্ষণৰ জৰিয়তে আন্তঃৰাজ্যিক জলসমস্যা সমাধানৰ বাবে আন ৰাজ্যসমূহৰ আৰ্হি হিচাপে কাম কৰিব লাগে।

ৰাজহুৱা প্ৰকল্প ৰূপায়ণত পলম হোৱাৰ ফলত কেৱল খৰচ বৃদ্ধিয়েই নহয়, নাগৰিকসকলে অত্যাৱশ্যকীয় সুবিধাসমূহ সময়মতে লাভ কৰাৰ পৰাও বঞ্চিত হয় বুলি প্ৰধানমন্ত্ৰীয়ে কয়। ৰাজ্যৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহক সমস্যাসমূহ সমাধান কৰি দ্ৰুত কাৰ্যকৰীকৰণ নিশ্চিত কৰাৰ বাবে অধিক সক্ৰিয় আৰু নিৰ্ধাৰিত সময়সীমাৰ পদ্ধতি গ্ৰহণ কৰিব লাগিব বুলিও তেওঁ কয়।

বৈঠকৰ আৰম্ভণিতে কেবিনেট সচিবে জনায় যে, প্ৰধানমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি ৰাজ্যিক পৰ্যায়ৰ আঁচনিসমূহৰ মাহেকীয়া পৰ্যালোচনাৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থাৰ লক্ষ্য হৈছে ৰাজ্যিক তথা জিলা পৰ্যায়ত নিয়মীয়া নিৰীক্ষণ, দ্ৰুত সমাধান আৰু অধিক দায়বদ্ধতা নিশ্চিত কৰা।

ooooo

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ কালি অন্তিম দিনা বহুচৰ্চিত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়কখন ধ্বনি ভোটত গৃহীত হয়। ইয়াৰ পূৰ্বে বিধেয়কখন সন্তৰ্ভত হোৱা আলোচনাত অংশ লৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে উমৈহতীয়া দেৱানী বিধিৰ এটা সুদীৰ্ঘ ইতিহাস আছে।

*-বাইট-*

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাট ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ কালছোৱাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আহমেবাদাত আৰু গান্ধী নগৰ জিলাৰ প্ৰায় ১২টা ৰাজহুৱা সেৱা, শিক্ষা আৰু গ্ৰাম্য আন্তঃগাঁথনি প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

শ্ৰীশ্বাহে গান্ধীনগৰৰ কালোল তেহছিলত কৰ্প'ৰেট সামাজিক দায়বদ্ধতাৰ অন্তৰ্গত কেইবাটাও প্ৰকল্প ৰাইজৰ নামত উৎসৰ্গা কৰিব। সন্ধিয়া লৈ গৃহমন্ত্ৰীগৰাকীয়ে আহমেদাবাদত মাতা উমিয়াধাম প্ৰাংগণৰ নতুন আৱাসিক ভৱন আৰু ভীমজীপুৰাৰ ভাৰত মাতা চৌহদ উদ্বোধন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত গৃহমন্ত্ৰীগৰাকীয়ে শ্বাহীবাগ আৱৰ্ত ভৱনত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰিব।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰ ইউৰোপীয় সংঘৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীসকলৰ অনানুষ্ঠানিক বৈঠক- জিম্নিচত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে চাইপ্ৰাছত উপস্থিত হৈছে। সামাজিক মাধ্যম যোগে

দিয়া পোষ্টত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে ইউৰোপীয় আয়োগৰ উপাধ্যক্ষ কাজা কাল্লাছ্ আৰু চাইপ্ৰাছ্ৰ বৈদেশিক মন্ত্ৰী ডং কনষ্টেনটিনছ্ কম্বোছক এই আমন্ত্ৰণৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

০০০০০

সমগ্ৰ দেশৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলে আজি ঈদ-উজ-জোহা পালন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ঈদ-উজ-জোহা উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই উৎসৱ হৈছে ভক্তি, ত্যাগ আৰু নিস্বাৰ্থতাৰ প্ৰতীক। তেওঁ কয়, যে এই উৎসৱে জনসাধাৰণক মানৱতাৰ সেৱাৰ বাবে অনুপ্ৰাণিত কৰে। সমাজত প্ৰেম আৰু সম্প্ৰীতিৰ প্ৰসাৰৰ হকে সংকল্প শক্তিশালী কৰিবলৈ তেওঁ সকলোলৈ আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় কয়লা মন্ত্ৰালয়ে আজি নতুন দিল্লীত ৩৭ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষ পৃষ্ঠীয় কয়লা আৰু লীগনাইট গেছীয়কৰণ প্ৰকল্পৰ শুভাৰম্ভৰ প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে এটা ৰোড শ্বৰ আয়োজন কৰিছে। এই ৰোড শ্বৰ উদ্দেশ্য হৈছে দেশত বৰ্তমান সম্পদ হিচাপে উপলব্ধ কয়লা আৰু লীগনাইটক পৰিষ্কাৰ আৰু মূল্য সংযোজিতভাৱে কিদৰে ব্যৱহাৰ কৰিব পাৰি ইয়াৰ প্ৰচাৰ চলোৱা। কেন্দ্ৰীয় কয়লা আৰু খনি দপ্তৰৰ মন্ত্ৰী জি কিষাণ ৰেড্ডী আৰু কয়লা আৰু খনি দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী সতীশ চন্দ্ৰ দুবে এই অনুষ্ঠনত উপস্থিত থাকিব। মন্ত্ৰালয়ৰ উচ্চ পদস্থ বিষয়াসকল, নীতি প্ৰণেতাসকল, উদ্যোগপতি, বিনিয়োগকাৰী, প্ৰযুক্তি সুবিধা প্ৰদানকাৰী অনুষ্ঠানসমূহ আৰু লগতে বহুকেইটা বিত্তীয় প্ৰতিষ্ঠানে এই ৰোড শ্বত অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে ২০৩০ চনৰ ভিতৰত এশ নিযুত টন কয়লা বাষ্পীয়কৰণ কৰাৰ ৰাষ্ট্ৰীয় লক্ষ্য গ্ৰহণ কৰা হৈছে আৰু ইয়াৰ জৰিয়তে এল এন জি, ইউৰীয়া, মিথানল আৰু এমনিয়াৰ দৰে পন্য সামগ্ৰীসমূহৰ আমদানি হ্ৰাস কৰিব পৰা যাব বুলি আশা কৰা হৈছে। ইয়াৰ লগতে অধিক শক্তিশালীভাৱে শক্তি খণ্ডত আগবাঢ়িব পৰা যাব আৰু আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যত উপনীত হোৱাত কয়লা গেছীয়কৰণৰ এই উদ্যোগে সহায় কৰিব বুলিও আশা কৰা হৈছে। মন্ত্ৰালয়ে লগতে জানিবলৈ দিয়া মতে, দেশৰ কয়লা খণ্ডত আৰম্ভ হ'বলগীয়া ২ দশমিক ৫ৰ পৰা ৩ লাখ কোটি টকা বিনিয়োগৰ ২৫টা প্ৰকল্পত নতুনকৈ ৫০ হাজাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগৰ সুবিধাও উপলব্ধ হ'ব।

০০০০০

ৰাষ্ট্ৰীয় মহিলা আয়োগে ভাৰতৰ ইছলাম ধৰ্মাৱলম্বী মহিলাসকলৰ অধিকাৰ সংক্ৰান্তীয় এখন সবিশেষ পৰামৰ্শসূচক প্ৰতিবেদন গৃহ মন্ত্ৰালয়, মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয় আৰু সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ৰ ওচৰত দাখিল কৰিছে। দেশৰ মুছলমান মহিলাসকলৰ আইনী, সামাজিক আৰু সাংবিধানিক অধিকাৰ অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে অনুষ্ঠিত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৈঠকৰ পাছতেই এই প্ৰতিবেদন দাখিল কৰা হয়। আয়োগে উল্লেখ কৰে যে, সাংবিধানিক সুৰক্ষা আৰু শেহতীয়া আইনী সংস্কাৰসমূহে মহিলাৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে যদিও আইনী সজাগতা বৃদ্ধিৰ এতিয়াও যথেষ্ট থল আছে।

এই সজাগতাই মহিলাসকলৰ বাবে ন্যায় লাভৰ প্ৰক্ৰিয়া সহজ কৰি তুলিব আৰু ব্যক্তিগত আইনসমূহৰ একত্ৰীকৰকৰণৰ জৰিয়তে স্পষ্টতা আনিব বুলি আয়োগে মত প্ৰকাশ কৰে।

বৈঠকখনত বিবাহ, বিবাহ বিচ্ছেদ, ভৰণ-পোষণ, অভিভাৱকত্ব আৰু সম্পত্তিৰ অধিকাৰ সম্পৰ্কীয় বিষয়সমূহতো বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ উপৰি, মুছলমান মহিলাসকলৰ অধিকাৰ সুৰক্ষিত কৰা ১৯৩৭ চনৰ মুছলিম পাৰ্চনেল ল' এপ্লিকেশ্যন এক্ট, ১৯৩৯ চনৰ ডিজলিউশ্যন অৱ মুছলিম মেৰেজ এক্ট, ১৯৮৬ চনৰ প্ৰটেকশ্যন্ অৱ ৰাইটছ্ অন্ ডাইভ'ৰ্চ্ এক্ট্ আৰু ২০১৯ চনৰ মুছলিম ৱিমেন্ প্ৰটেকশ্যন্ অৱ ৰাইটছ্ অন্ মেৰেজ এক্টৰ দৰে গুৰুত্বপূৰ্ণ আইনসমূহক লৈও বৈঠকত বিস্তাৰিতভাৱে আলোচনা কৰা হয়।

ooooo

নিউ চণ্ডীগড়ত কালি অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতা ২০২৬ৰ এলিমিনেটৰ খেলখনত ৰাজস্থান ৰয়েলছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৪৭ ৰানত পৰাস্ত কৰে। ৰাজস্থানে বান্ধি দিয়া ২৪৪ ৰানৰ বিশাল লক্ষ্য অনুসৰণ কৰি ছানৰাইজাৰ্ছে ১৯ অ'ভাৰ আৰু ২টা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১৯৬ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ৰাজস্থানৰ হৈ জোফ্ৰা আৰ্চাৰে সৰ্বাধিক ৩ টা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে- খেলখনত টছত জয়লাভ কৰা ছানৰাইজাৰ্ছ হায়দৰাবাদৰ আমন্ত্ৰণমৰ্মে প্ৰথমে বেটিং কৰিবলৈ নামি ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০ অ'ভাৰত ৮ টা উইকেট হেৰুৱাই ২৪৩ ৰান কৰে। বৈভৱ সূৰ্যবংশীয়ে মাত্ৰ ২৯ টা বলত ১২ টা ছিক্স আৰু ৫টা বাউণ্ডাৰীৰে ৯৭ ৰান কৰে। এই সংস্কৰণত ৬৫টা ছিক্স কোবাই এটা আই পি এল সংস্কৰণত আটাইতকৈ বেছি ছিক্স কোবোৱাৰ ক্ৰীছ গেইলৰ অভিলেখো কালি সূৰ্যবংশীয়ে ভংগ কৰাৰ লগতে খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটাও লাভ কৰে।

এতিয়া প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনৰ দ্বিতীয়টো স্থান নিশ্চিত কৰিবলৈ কাইলৈ দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ মুখামুখি হ'ব। এই মেচখনৰ বিজয়ী দলটোৱে অহা দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে খিতাপ দখলৰ যুজত অৱতীৰ্ণ হ'ব।

ooooo

**সমাপ্ত**